**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 01-11-2024
**Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***Headlines***
-----------------------------

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড় আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অন্ধ্ৰ প্ৰদেশ, ছত্তিশগড় আৰু হাৰিয়ানাকে ধৰি কেইবাখনো ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলসমূহৰ জনসাধাৰণলৈ শুভেচ্ছা জ্ঞাপন কৰিছে।

২। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি গুজৰাটৰ পিৰানাত আৱৰ্জনাৰ পৰা শক্তি উৎপাদন কৰা ৰাজ্যখনৰ সৰ্ববৃহৎ প্ৰকল্পটো মুকলি কৰে।

৩। ৰে'লগাড়ীৰ টিকটৰ আগতীয়া সংৰক্ষণৰ ক্ষেত্ৰত ৰে'ল বিভাগে নতুনকৈ প্ৰৱৰ্তন কৰা নিয়ম আজিৰে পৰা কাৰ্যকৰী হৈছে।

৪। কেৰালা কেডাৰৰ ১৯৮৯ বৰ্ষৰ ভাৰতীয় প্ৰশাসনিক সেৱাৰ বিষয়া ৰাজেশ কুমাৰ সিঙে আজি দেশৰ প্ৰতিৰক্ষা সচিবৰ দায়িত্বভাৰ গ্ৰহণ কৰে। **আৰু**

৫। ভাৰত আৰু নিউজিলেণ্ডৰ মাজৰ তৃতীয় তথা অন্তিমখন টেষ্টৰ আজি নিউজিলেণ্ডে প্ৰথমে বেট ধৰি আমালৈ বাতৰি অহাৰ পৰলৈকে ৪৭ অভাৰত ৫টা উইকেট হেৰুৱাই ১৬৪ ৰান সংগ্ৰহ কৰিছে।

০০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড় আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অন্ধ্ৰ প্ৰদেশ, ছত্তিশগড়, হাৰিয়ানা, কৰ্ণাটক, কেৰালা, মধ্য প্ৰদেশ, পাঞ্জাব, তামিলনাডু, লাক্ষাদ্বীপ আৰু পুডুচেৰীৰ প্ৰতিষ্ঠা দিৱস উপলক্ষে সংশ্লিষ্ট ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলসমূহৰ জনসাধাৰণলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমত দিয়া এটা বাৰ্তাত ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে দেশৰ উন্নয়নৰ যাত্ৰাপথত এই ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলসমূহৰ জনসাধাৰণে আগবঢ়োৱা বৰঙণিৰ বিষয়ে উল্লেখ কৰে। একেদৰে উপ-ৰাষ্ট্ৰপতি শ্ৰী ধনখড়েও এই ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলসমূহৰ বাসিন্দাসকলক প্ৰতিষ্ঠা দিৱসৰ অভিনন্দন জ্ঞাপন কৰাৰ লগতে উন্নয়নৰ পথত আগবাঢ়ি গৈ দেশৰ শান্তি আৰু সমৃদ্ধিৰ প্ৰতি অৱদান আগবঢ়াবৰ বাবে শুভকামনা জনায়।

আনহাতে প্ৰধানমন্ত্ৰী মোদীয়ে সামাজিক মাধ্যমত প্ৰকাশ কৰা এটা সুকীয়া বাৰ্তাত এই ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলসমূহৰ জনসাধাৰণক সুখ, সমৃদ্ধি আৰু সাফল্যৰ বাবে শুভকামনা জনায়। কেউখন ৰাজ্যৰ বিশেষত্ব তথা গুৰুত্বৰ বিষয়ে সুকীয়াকৈ উল্লেখ কৰি শ্ৰী মোদীয়ে অঞ্চলসমূহ ক্ৰমান্বয়ে অধিক উন্নতিৰ পথত অগ্ৰসৰ হ'ব বুলি আশা প্ৰকাশ কৰে।

০০০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি গুজৰাটৰ পিৰানাত আৱৰ্জনাৰ পৰা শক্তি উৎপাদন কৰা ৰাজ্যখনৰ সৰ্ববৃহৎ প্ৰকল্পটো মুকলি কৰে। ব্যক্তিগত ৰাজহুৱা অংশীদাৰিত্বৰে ৩৭৫ কোটি টকা ব্যয়েৰে এই প্ৰকল্পটো নিৰ্মাণ কৰি উলিওৱা হৈছে আৰু প্ৰকল্পটোত প্ৰতিদিনে এহেজাৰ মেট্ৰিকটন গোটা আৱৰ্জনাৰ পৰা

১৫ মেগাৱাট শক্তি উৎপাদন কৰিব পৰা যাব। উদ্বোধনী অনুষ্ঠানত ৰাজ্যখনৰ মুখ্যমন্ত্ৰী ভূপেন্দ্ৰ পেটেলেও অংশগ্ৰহণ কৰে।

০০০০০০০

দিল্লীৰ অগ্নিনিৰ্বাপন বিভাগে এইবেলি দীপাৱলীত অভূতপূৰ্ব জৰুৰী ফোনকল লাভ কৰে। বিভাগীয় তথ্য অনুসৰি বিগত ১০টা বছৰৰ ভিতৰত অগ্নিকাণ্ডৰ বাতৰিৰে বিভাগটোৱে লাভ কৰা এনে ফোনকলৰ সংখ্যা আছিল সবাতোকৈ অধিক। দিল্লীৰ অগ্নিনিৰ্বাপন বিভাগৰ সঞ্চালক অতুল গাৰ্গে আকাশবাণীৰ বাতৰি বিভাগক জানিবলৈ দিয়া মতে কালি সন্ধিয়া ৫ বজাৰ পৰা আজি পুৱা ৫ বজালৈ অৰ্থাৎ ১২ ঘণ্টা সময়ৰ ভিতৰত দিল্লী এলেকাত ৩০০টাতকৈও অধিক অগ্নিকাণ্ড সংঘটিত হয়। এনে ঘটনাসমূহৰ মাজতে তিনিজন লোকে প্ৰাণ হেৰুৱাই বুলিও তেওঁ জানিবলৈ দিয়ে। শ্ৰী গাৰ্গে অৱশ্যে দীপাৱলীৰ প্ৰতি লক্ষ্য ৰাখি অগ্নিনিৰ্বাপক বাহিনীয়ে পূৰ্বতকৈ অধিক সতৰ্কতামূলক ব্যৱস্থা গ্ৰহণ কৰাৰ পৰিপ্ৰেক্ষিতত বৃহৎ অগ্নিকাণ্ড সংঘটিত হোৱাটোক প্ৰতিহত কৰিব পৰা হয় বুলিও লগতে প্ৰকাশ কৰে।

০০০০০০০

ৰে'লগাড়ীৰ টিকটৰ আগতীয়া সংৰক্ষণৰ ক্ষেত্ৰত ৰে'ল বিভাগে নতুনকৈ প্ৰৱৰ্তন কৰা নিয়ম আজিৰে পৰা কাৰ্যকৰী হৈছে। এই নতুন ব্যৱস্থা অনুসৰি আগতীয়া আসন সংৰক্ষণৰ সময়সীমা পূৰ্বৰ ১২০ দিনৰ পৰিৱৰ্তে ৬০ দিনলৈ হ্ৰাস কৰা হৈছে। অৱশ্যে যাত্ৰীসকলে যোৱা ৩১ অক্টোবৰ অৰ্থাৎ কালিলৈকে কৰা সংৰক্ষণৰ ক্ষেত্ৰত কোনোধৰণৰ পৰিৱৰ্তন নহয়।

ৰে'ল মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে আসন সংৰক্ষণৰ সময়সীমা ৬০ দিনলৈ হ্ৰাস কৰাৰ ফলস্বৰূপে টিকটৰ চোৰাং মজুতকৰণৰ সম্ভাৱনা হ্ৰাস পোৱাৰ লগতে প্ৰকৃত যাত্ৰীসকলে সুবিধা লাভ কৰাটো নিশ্চিত হ'ব। মন্ত্ৰালয়ে লগতে প্ৰকাশ কৰা তথ্য অনুসৰি যাত্ৰাৰ তাৰিখৰ ৬১ দিনৰ পৰা ১২০ দিন পূৰ্বে যাত্ৰীসকলে সংৰক্ষণ কৰা টিকটৰ প্ৰায় ২১ শতাংশ টিকট সাধাৰণতে বাতিল কৰা হয়।

আনহাতে দিনৰ ভাগত যাত্ৰা সম্পন্ন কৰা তাজ এক্সপ্ৰেছ আৰু গোমতী এক্সপ্ৰেছৰ দৰে ৰে'লগাড়ীসমূহৰ ক্ষেত্ৰত পূৰ্বৰ দৰেই কম সময়ৰ আগতীয়া সংৰক্ষণৰ ব্যৱস্থা বাহাল থকাৰ লগতে বিদেশী পৰ্যটকসকলৰ ক্ষেত্ৰত প্ৰৱৰ্তন হৈ থকা ৩৬৫ দিনৰ আগতীয়া সংৰক্ষণ ব্যৱস্থাও অপৰিৱৰ্তিত হৈ থাকিব বুলি মন্ত্ৰালয়ে প্ৰকাশ কৰিছে।

০০০০০০০

কেন্দ্ৰীয় আঁচনি নমো ড্ৰোন দিদি আঁচনিৰ কাৰ্য্যকৰী নিৰ্দেশনাৱলীসমূহ চৰকাৰে প্ৰকাশ কৰিছে। কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰালয়ে দীনদয়াল অন্ত্যোদয় যোজনা ৰাষ্ট্ৰীয় গ্ৰাম্য জীৱিকা অভিযানৰ অধীনত মহিলা আত্মসহায়ক গোটসমূহক এক হাজাৰ ২৬১ কোটি টকা ব্যয়ৰে ড্ৰ'ন প্ৰদানৰ বাবে এই কেন্দ্ৰীয় আঁচনিৰ অনুমোদন জনাইছে। ২০২৪-২৫ৰ পৰা ২০২৫-২০২৬ চনলৈকে ১৪ হাজাৰ ৫০০ নিৰ্বাচিত মহিলা আত্মসহায়ক গোটক ড্ৰ'ন প্ৰদান কৰাৰ লক্ষ্য এই আঁচনিৰ জৰিয়তে লোৱা হৈছে। নিৰ্দেশাৱলী অনুসৰি এই আঁচনি কেন্দ্ৰীয় পৰ্যায়ত

গ্ৰাম্য উন্নয়ন, সাৰ আৰু কৃষি আৰু কৃষক কল্যাণ বিভাগৰ সচিবসকলৰ ক্ষমতাশালী সমিতিৰ দ্বাৰা পৰিচালিত হয়। ড্ৰ'ন ক্ৰয়ৰ আশী শতাংশ আৰু আনুষংগিক সামগ্ৰী ক্ৰয়ৰ খৰচৰ

সৰ্বাধিক আঠ লাখ টকা মহিলা আত্মসহায়ক গোটসমূহক প্ৰদান কৰা হ'ব। মহিলা আত্মসহায়ক গোটৰ এগৰাকী সদস্যক ১৫ দিনীয়া প্ৰশিক্ষণৰ বাবে নিৰ্বাচিত কৰা হ'ব য'ত বাধ্যতামূলক ড্ৰ'ন পাইলট প্ৰশিক্ষণ আৰু

কৃষিৰ উদ্দেশ্য পুষ্টি আৰু কীটনাশক প্ৰয়োগৰ বাবে অতিৰিক্ত প্ৰশিক্ষণ অন্তৰ্ভুক্ত কৰা হ'ব।আঁচনিখন তৎকালীনভাৱে বলবৎ আৰু কাৰ্যকৰী কৰাটো নিশ্চিত কৰিবলৈ

মন্ত্ৰালয়ে সকলো অংশীদাৰক এই কাৰ্য্যকৰী নিৰ্দেশনাসমূহৰ অৰ্থপূৰ্ণ ব্যৱহাৰ কৰিবলৈ আহ্বান জনাইছে।

০০০০০০০

দেশৰ মেট্ৰ' মহানগৰসমূহত বাণিজ্যিক চিলিণ্ডাৰৰ দাম ৬২ টকাকৈ বৃদ্ধি পাইছে। তৈল বিপণন কোম্পানীসমূহে আজি এই কথা ঘোষণা কৰে। এই নিৰ্দেশনা আজিৰ পৰা কাৰ্যকৰী হৈছে।

০০০০০০০

কেৰালা কেডাৰৰ ১৯৮৯ বৰ্ষৰ ভাৰতীয় প্ৰশাসনিক সেৱাৰ বিষয়া ৰাজেশ কুমাৰ সিঙে আজি দেশৰ প্ৰতিৰক্ষা সচিবৰ দায়িত্বভাৰ গ্ৰহণ কৰে। তেওঁ এই পদৰ পৰা কালি অৱসৰ গ্ৰহণ কৰা অন্ধ্ৰ প্ৰদেশ কেডাৰৰ ১৯৮৮ বৰ্ষৰ প্ৰশাসনিক বিষয়া গিৰিধৰ আৰামানেৰ স্থলাভিষিক্ত হৈছে। আজি দায়িত্ব গ্ৰহণ কৰাৰ পূৰ্বে শ্ৰী সিঙে নতুন দিল্লীৰ ৰাষ্ট্ৰীয় যুদ্ধ স্মাৰকত উপস্থিত হৈ বীৰ যোদ্ধাসকলৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰে। উল্লেখযোগ্য যে ইতিপূৰ্বে কেন্দ্ৰীয় চৰকাৰৰ ভালেমান পদবীত কাৰ্যনিৰ্বাহ কৰি অহা শ্ৰী সিং শেহতীয়াকৈ বাণিজ্য আৰু উদ্যোগ মন্ত্ৰালয়ৰ উদ্যোগ আৰু আভ্যন্তৰীণ ব্যৱসায়ৰ প্ৰসাৰ বিভাগৰ সচিবৰ পদত অধিষ্ঠিত হৈ আছিল। ইয়াৰ পূৰ্বে তেওঁ কেৰালা চৰকাৰৰ নগৰ উন্নয়ন বিভাগৰ লগতে বিত্ত বিভাগতো সচিব হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল।

০০০০০০০

প্ৰধানমন্ত্ৰীৰ অৰ্থনৈতিক উপদেষ্টা পৰিষদৰ অধ্যক্ষ ড০ বিবেক দেবৰয়ৰ আজি নতুন দিল্লীস্থিত অখিল ভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠান এইমছত দেহাৱসান ঘটে। ৬৯ বছৰ বয়সীয়া অৰ্থনৈতিক বিশেষজ্ঞগৰাকীক যোৱানিশা চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছিল। অৰ্থনীতিবিদগৰাকীয়ে ৰামকৃষ্ণ মিছন বিদ্যালয়, কলকাতাৰ প্ৰেছিডেন্সী কলেজ, দিল্লী স্কুল অব ইক'নমিকছ আৰু কেম্ব্ৰিজৰ ট্ৰিনিটী কলেজত শিক্ষাগ্ৰহণ কৰিছিল। কৰ্মজীৱনত তেওঁ ভালেমান স্থানত ভিন ভিন পদবীত কাৰ্যনিৰ্বাহ কৰিছিল।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ড০ বিবেক দেবৰয়ৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰিছে। সামাজিক মাধ্যমত দিয়া এটা বাৰ্তাত শ্ৰী মোদীয়ে তেওঁক এগৰাকী উচ্চমানৰ বিদ্বান ব্যক্তি বুলি অভিহিত কৰাৰ লগতে অৰ্থনীতি, ইতিহাস, সংস্কৃতি, ৰাজনীতি আৰু আধ্যাত্মিকতাকে ধৰি বিভিন্ন ক্ষেত্ৰত থকা তেওঁৰ ব্যুৎপত্তিৰ বিষয়ে উল্লেখ কৰে।

০০০০০০০

বিজেপিৰ জেষ্ঠ নেতা, জম্মুৰ নগ্ৰোটা সমষ্টিৰ বিধায়ক আৰু বিশিষ্ট ব্যৱসায়ী দেৱেন্দৰ সিং ৰানাৰ যোৱা নিশা ফৰিদাবাদৰ এখন ব্যক্তিগত চিকিৎসালয়ত মৃত্যু হয়। তেওঁৰ বয়স আছিল ৫৯ বছৰ। তেওঁ ইহসংসাৰত মাতৃ, পত্নী, তিনিটা সন্তান আৰু কেন্দ্ৰীয় ৰাজ্যত মন্ত্ৰী ড০ জিতেন্দ্ৰ সিংকে ধৰি দুজন ভাতৃক এৰি থৈ যায়।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী আৰু গৃহমন্ত্ৰী অমিত শ্বাহে বিজেপিৰ জ্যেষ্ঠ নেতা তথা জম্মু-কাশ্মীৰৰ নগ্ৰোটা সমষ্টিৰ বিধায়ক দেৱেন্দ্ৰ সিং ৰানাৰ মৃত্যুত শোক প্ৰকাশ কৰে।

ছ'চিয়েল মিডিয়াত এটা পোষ্টত প্ৰধানমন্ত্ৰীয়ে কয় যে তেওঁৰ অকাল বিয়োগে স্তম্ভিত কৰি তুলিছে। ৰাণাই জম্মু-কাশ্মীৰৰ উন্নয়নৰ দিশত নিস্বাৰ্থ ভাৱে কাম কৰা বুলি উল্লেখ কৰি শ্ৰী মোদীয়ে তেওঁৰ কামৰ প্ৰশংসা কৰে। প্ৰধানমন্ত্ৰীয়ে জম্মু-কাশ্মীৰত বিজেপিক শক্তিশালী কৰি তোলাত ৰাণাই গ্ৰহণ উল্লেখযোগ্য ভূমিকাৰ ওপৰতো আলোকপাত কৰে।

গৃহমন্ত্ৰী অমিত শ্বাহে কয় যে দেবেন্দেৰ সিং ৰাণাই জম্মু-কাশ্মীৰৰ শান্তি আৰু উন্নয়নৰ প্ৰতি সদায় উৎসৰ্গিত আছিল আৰু অঞ্চলটোৰ প্ৰগতিৰ ক্ষেত্ৰত অমূল্য অৱদান আগবঢ়াইছিল। তেওঁ লগতে কয় যে শ্ৰীৰানাৰ মৃত্যু বিজেপিৰ বাবে অপূৰণীয় ক্ষতি।

0000000

ভাৰত আৰু নিউজিলেণ্ডৰ মাজৰ তৃতীয় তথা অন্তিমখন টেষ্টৰ আজি নিউজিলেণ্ডে প্ৰথমে বেট ধৰি আমালৈ বাতৰি অহাৰ পৰলৈকে ৪৭ অভাৰত ৫টা উইকেট হেৰুৱাই ১৬৪ ৰান সংগ্ৰহ কৰিছে।

আলহী দলটোৱে ইতিমধ্যে বাংগালুৰু আৰু পুনেত অনুষ্ঠিত প্ৰথম দুখন খেলত জয় লাভ কৰি শৃংখলাত অপ্ৰতিৰোধ্য অগ্ৰগতি লাভ কৰিছে। ভাৰতীয় দলে এই খেলখনত জয়লাভ কৰি প্ৰথমবাৰৰ বাবে দেশৰ মাটিত টেষ্ট ক্ৰিকেট শৃংখলাৰ আটাইকেইখন খেলত পৰাজয়ৰ গ্লানিৰ পৰা ৰক্ষা পৰাৰ চেষ্টা চলাব। তদুপৰি দলটোৰ বাবে বিশ্ব টেষ্ট ছেম্পিয়নশ্বিপৰ ফাইনেলত স্থান নিশ্চিত কৰাৰো হেঁচা থাকিব। বিশ্ব টেষ্ট ছেম্পিয়নশ্বিপৰ ফাইনেলত প্ৰৱেশৰ বাবে আৰু ৬ খন খেলৰ ফলাফল গুৰুত্বপূৰ্ণ হ'ব। ইয়াৰে ৫ খন খেল অষ্ট্ৰেলিয়াত অনুষ্ঠিত হ'ব। ভাৰতে অহা বছৰ জুনত লৰ্ডছত হ'বলগীয়া বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেলত দৌৰত বৰ্তি থাকিবলৈ হ'লে কমেও চাৰিখন খেলত জয় লাভ কৰিব লাগিব।

0000000

সমাপ্ত